## মুখ্যমন্ত্ৰীৰ বলিষ্ঠ পদক্ষেপ

# নতুন বৰ্ষত গাঁওৰক্ষী বাহিনীক অধিক সক্ৰিয় আৰু শক্তিশালী কৰি তোলা হ'ব

**গুৱাহাটী, ৩১ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বলিষ্ঠ পদক্ষেপ তথা উদ্যোগত আগন্তুক নতুন বছৰটোত গাঁওৰক্ষী বাহিনীসমূহক অধিক গতিশীল আৰু কাৰ্য্যক্ষম কৰাৰ বাবে কেতবোৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। বাহিনীটোক আধুনিকীকৰণৰ উপৰিও বৰ্তমান সমাজ-জীৱনলৈ অহা বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ সু-সংগঠিত কৰি শক্তিশালী ৰূপত গঢ়ি তোলা হ'ব। মুখ্যমন্ত্ৰীৰ নিৰ্দেশত ৰাজ্যখনৰ বৰ্তমানৰ মুঠ ৬১০৬ টা অপঞ্জীয়নভুক্ত গাঁওৰক্ষী বাহিনীক পঞ্জীয়নভুক্ত কৰাৰ বাবে ইতিমধ্যে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু প্ৰতিটো গাঁওৰক্ষীৰ বাহিনীত কমেও পাঁচগৰাকীকৈ মহিলাক অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া চলি আছে।

গাঁওৰক্ষী বাহিনীসমূহৰ প্ৰতিগৰাকী সদস্যৰ "ডাটাবেচ" প্ৰস্তুতকৰণৰ কাম হাতত লোৱাৰ লগতে বাহিনীসমূহলৈ মোবাইল ফোন, বিভিন্ন সামগ্ৰী আদিৰ যোগান নিশ্চিত কৰাৰো ব্যৱস্থা লোৱা হৈছে। নতুন বৰ্ষটোত গাঁওৰক্ষী বাহিনীসমূহৰ দক্ষতা বৃদ্ধি তথা তেঁওলোকক সমাজৰ একোগৰাকী প্ৰকৃত 'জাগ্ৰত প্ৰহৰী' হিচাপে গঢ়ি তোলাৰ বাবে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইয়াৰ অংশ হিচাপে পৰ্য্যায়ক্ৰমে তেঁওলোকক প্ৰয়োজনীয় প্ৰশিক্ষণ আদি দিয়াৰ বাবেও পদক্ষেপ লোৱা হৈছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশত অহা ২ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ গাঁওৰক্ষী বাহিনীৰ সদস্যসকলৰ বাবে বিভিন্ন বিষয়ক বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। উত্তৰ গুৱাহাটীৰ অগ্নি আৰু জৰুৰীকালীন সেৱাৰ আঞ্চলিক প্ৰশিক্ষণ কেন্দ্ৰত আয়োজিত এই প্ৰশিক্ষণ কাৰ্য্যসূচীত অসম গাঁওৰক্ষী সংগঠন আইন-১৯৬৬ আৰু ইয়াৰ আনুষংগিক আইনসমূহৰ উপৰিও অসামাজিক শক্তি, নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰ, ডাইনী হত্যা, অন্ধবিশ্বাস আদিৰ বিৰুদ্ধে গাঁওঁৰক্ষী বাহিনীসমূহে ল'ব লগা কাৰ্য্যপন্থা সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এই প্ৰশিক্ষণ কাৰ্য্যসূচীত প্ৰাকৃতিক দুৰ্য্যোগৰ সময়ত ল'ব লগা ব্যৱস্থাৱলী, ৰাজহুৱা সম্পত্তিৰ সুৰক্ষা আদি বিষয়সমূহো অন্তৰ্ভুক্ত কৰা হৈছে।

উল্লেখযোগ্য যে, ১৯৪৯ চনতেই প্ৰয়াত হৰিনাৰায়ন বৰুৱাই জন্ম দিয়া "গাঁওৰক্ষী বাহিনী" সমূহে আৰক্ষীৰ লগত সক্ৰিয় সহযোগিতাৰে 'জাগ্ৰত প্ৰহৰী' হৈ গাওঁসমূহক সুৰক্ষা দি আহিছে আৰু গ্ৰামাঞ্চলৰ কু-সংস্কাৰ নিৰ্মূল তথা বিভিন্ন অপৰাধমূলক কাৰ্য্যকলাপ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভুমিকা লৈ আহিছে। তদুপৰি, বাহিনীটো গ্ৰামাঞ্চলৰ ৰাইজ আৰু আৰক্ষীৰ মাজৰ পাৰস্পৰিক বুজাবুজি আৰু সহযোগিতাৰ এক অন্যতম সেঁতু হিচাপে পৰিগণিত হৈ আহিছে। বিভিন্ন সময়ত নিজৰ দায়িত্ব পালন কৰিবলৈ গৈ গাঁওৰক্ষী বাহিনীৰ বহুসংখ্যক সদস্যই নিজৰ প্ৰাণ পৰ্য্যন্ত বিসৰ্জন দিব লগা হৈছে। দায়িত্ব পালনৰ সময়ত নিজৰ প্ৰাণ আহুতি দিয়া সেইসকল বীৰ সদস্যৰ কৰ্মদক্ষতা তথা তেওঁলোকৰ আত্ম-বলিদান আদিৰ বিষয়ে বিস্তৃত ব্যাখ্যাৰে 'আহুতি' নামেৰে এখনি স্মৰণিকা প্ৰকাশৰো দিহা কৰা হৈছে যাতে তেওঁলোকৰ নাম চিৰস্মৰণীয় কৰি ৰাখিব পাৰি। অসম আৰক্ষীয়ে গাঁওৰক্ষী বাহিনীক সকলো দিশতে শক্তিশালী কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশত গ্ৰহণ কৰা পদক্ষেপসমূহৰ প্ৰতি বাহিনীটোৰ প্ৰতিগৰাকী সদস্য তথা ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

**চি পি আৰ অ'**

**অসম আৰক্ষী**